পৰম্পৰাৰ পৰা আঁতৰি আহি বিষয়-বস্তু আৰু ভাব-বস্তুৰ সম্প্ৰসাৰণ ঘটালে।

গান্ধীৰ সমাজ সংস্কাৰ আন্দোলনৰ প্ৰেৰণাৰে আৰাহন যুগত সামাজিক সংস্কাৰ সাধনত চুটি গল্পই যথেষ্ট গুৰুত্ব দিছিল। সমাজত প্ৰচলিত হিন্দু-মুছলমানৰ বিভেদ জাতীয় উন্নতিৰ অন্তৰায় বুলি ভবা হৈছিল আৰু সেইবাবেই আৰাহন যুগৰ অসমীয়া চুটি গল্পত হিন্দু-মুছলমানৰ আৱেগিক ঐক্যৰ ওপৰত যথেষ্ট সংখ্যক গল্প ৰচনা হৈছিল।

মহাত্মা গান্ধীৰ স্বাধীনতা আন্দোলনৰ আদৰ্শ হিচাপে অৰ্থনৈতিক স্বাৱলম্বিতাই প্ৰধান স্থান পাইছিল। গান্ধীৰ এই স্বাৱলম্বী আদৰ্শৰ প্ৰতি অসমৰ জনগণো আকৃষ্ট হৈছিল। সেইবাবে এই আদৰ্শক সাহিত্যৰ মাজেদি প্ৰচাৰ কৰাৰ উদ্দেশ্যেৰে আৰাহনৰ যুগটোত অনেক গল্প ৰচনা কৰা হৈছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগতে মহাত্মা গান্ধীয়ে নাৰীমুক্তিৰ যি বাণী ঘোষণা কৰিছিল, সেই বাণী অসমতো প্ৰতিধ্বনিত হৈছিল। গতিকে যুগ যুগ ধৰি পৰাধীন হৈ থকা অসমীয়া নাৰীক মুক্ত কৰি তোলাৰ মানসেৰে আৰাহন যুগৰ চুটিগল্পত সমাজ বিপ্লৱ গঢ়ি তুলিবলৈ যত্ন কৰা হৈছিল। অৱশ্যে আৰাহন যুগৰ গল্পত নাৰীমুক্তিৰ যি বাণী ঘোষিত হৈছিল তাৰ পৃষ্ঠভূমি কেৱল গান্ধীৰ আন্দোলন নহয়। আৰাহন যুগত অসমত শিক্ষাৰ ক্ষেত্ৰত ঘটা প্ৰসাৰতাই অসমত নাৰীমুক্তি আন্দোলনক শক্তিশালী কৰাত যথেষ্ট সহায় কৰিছিল। কাৰণ শিক্ষাৰ প্ৰসাৰৰ লগে লগে পাশ্চাত্য সাহিত্যৰ ভিন্ ভিন্ মতাদৰ্শৰ সৈতে অসমীয়া লেখক আৰু পাঠক উভয়ে পৰিচয় হোৱাৰ সুযোগ লাভ কৰিছিল। ইউৰোপীয় সমাজৰ মুক্ত নাৰীৰ জীৱন চিত্ৰিত হোৱা পাশ্চাত্য সাহিত্যৰ অনুকৰণত আৰাহন যুগৰ অসমীয়া চুটি গল্পত মুক্ত নাৰী চৰিত্ৰ সৃষ্টি হৈছিল।

আৰাহন যুগৰ চুটি গল্পই বিস্তাৰ লাভ কৰাত এটা শক্তিশালী পটভূমি পাইছিল। ১৯০১ চনত কটন কলেজ প্ৰতিষ্ঠা হোৱাৰে পৰা অসমত কেৱল উচ্চ শিক্ষাৰে যে প্ৰসাৰ ঘটিছিল এনে নহয়, ইয়াৰ লগে লগে পশ্চিমৰ বিশ্ববিশ্ৰুত গল্পকাৰসকলৰ জনপ্ৰিয়তাও বাঢ়িছিল। অসমৰ ন-শিক্ষিত শ্ৰেণীটোৱে বিশ্বৰ বৰেণ্য গল্পকাৰসকলৰ গল্পৰ প্ৰতি আকৃষ্ট হৈ সেইসকলৰ অনুকৰণত চুটি গল্প ৰচনা কৰিবলৈ লৈছিল। ইয়াৰ ফলত পাশ্চাত্য গল্পকাৰসকলৰ গল্পৰ সমানে উন্নত মানবিশিষ্ট গল্প সৃষ্টি নহ'লৈও কিছু উন্নত যে হৈছিল তাত সন্দেহ নাই। আৰাহন যুগত মাৰ্কিন গল্পকাৰ এড্‌গাৰ এলেন পো, ফৰাচী কথাশিল্পী মোপাছাঁ, আৰু আণ্টন চেখভৰ চুটি গল্পৰ প্ৰভাৱ আৰাহনৰ যুগতেই অসমীয়া চুটি গল্পত শক্তিশালী হৈ আহিছিল। এলেন পোৰ চুটি গল্পৰ অনুকৰণত আৰাহন যুগত বহুতো গল্পকাৰে ফেণ্টাচীধৰ্মী